# গুপ্ত সাম্ৰাজ্যৰ উত্থান

## TEXTUAL QUESTIONS AND ANSWERS

---

**প্ৰশ্ন ১। উত্তৰ দিয়া –**

( ক ) সমুদ্ৰগুপ্তৰ এলাহাবাদ স্তম্ভলিপিখন কোনে প্ৰস্তুত কৰিছিল ?

**উত্তৰঃ** কবি হৰিসেনে প্ৰস্তুত কৰিছিল ।

( খ ) সমুদ্ৰগুপ্তই দাক্ষিণাত্যত কেইজন ৰজাক পৰাস্ত কৰিছিল ?

**উত্তৰঃ** ১২ জন ৰজাক পৰাস্ত কৰিছিল ।

( গ ) ফা – হিয়েনে ভাৰতবৰ্ষ ভ্ৰমণকৰাৰ সময়ত গুপ্তবংশৰ ৰজা কোন আছিল ?

**উত্তৰঃ** দ্বিতীয় চন্দ্ৰগুপ্ত ।

( ঘ ) ‘ মুদ্ৰাক্ষস ’ নাটকখন কোনে ৰচনা কৰিছিল ?

**উত্তৰঃ** ‘ বিশাখাদত্ত’ই ৰচনা কৰিছিল ।

( ঙ ) ‘ পঞ্চতন্ত্ৰ ’ নামৰ বিখ্যাত সাধুকথাৰ পুথিখন কোনে ৰচনা কৰিছিল ?

**উত্তৰঃ** বিষ্ণু শৰ্মাই ৰচনা কৰিছিল ।

( চ ) কালিদাসে ৰচনা কৰা দুখন গ্ৰন্থৰ নাম লিখা।

**উত্তৰঃ** ‘ মেঘদূত ’ আৰু ‘ ৰঘুবংশ ’ ।

( ছ ) শূন্য ( ০ ) ৰ ধৰ্ম আৰু ব্যৱহাৰৰ নিয়মসমূহ প্ৰথমে কোনে বিশ্বক পৰিচয় কৰাই দিছিল ?

**উত্তৰঃ** ব্ৰহ্মগুপ্তই পৰিচয় কৰাই দিছিল ।

**প্ৰশ্ন ২। চমু টোকা লিখা –**

**( ক ) প্ৰথম চন্দ্ৰগুপ্ত ।**

**উত্তৰঃ** ইতিহাসবিদসকলে প্ৰথম চন্দ্ৰগুপ্তক গুপ্ত সাম্ৰাজ্যৰ প্ৰথম ৰজা বুলি কয় । প্ৰথম চন্দ্ৰগুপ্তই ৩২০ খ্ৰীঃত গুপ্ত সাম্ৰাজ্যৰ সিংহাসনত উঠে । তেওঁ মহাৰাজা ধিৰাজ উপাধি গ্ৰহন কৰিছিল। ইয়াৰ পৰা বুজা যায় যে তেওঁ এজন শক্তিশালী ৰজা আছিল । প্ৰথম চন্দ্ৰগুপ্তই সা◌েণৰ মা◌েহৰ মৰাইছিল। এই মা◌েহৰৰ এপিঠিত তেওঁ আৰু তেওঁৰ ৰাণী কুমাৰাদেৱীৰ নাম আৰু আনটো পিঠিত সিংহৰ ওপৰত উপবিষ্ট দেৱী দুৰ্গা প্ৰতিমূৰ্ত্তি অংকন কৰাইছিল । প্ৰথম চন্দ্ৰগুপ্তই গুপ্ত চন এটি প্ৰচলন কৰিছিল বুলি ইতিহাসবিদসকলে ক'ব খা◌েজে আৰু এই গুপ্ত চনটো ২৬ ফেব্ৰুৱাৰী ৩২০ খ্ৰীঃত আৰম্ভ হা◌েৱা বুলি জনা যায় ।

**( খ ) সমুদ্ৰগুপ্ত ।**

**উত্তৰঃ** প্ৰথম চন্দ্ৰগুপ্তৰ পাছত তেওঁৰ পুত্ৰ সমুদ্ৰগুপ্ত গুপ্ত সাম্ৰাজ্যৰ সিংহাসনত উঠে । তেওঁ আছিল এজন বিখ্যাত যা◌েদ্ধা , ৰাজ্য বিজেতা আৰু সু শাসক । ৰজা হৈয়ে সমুদ্ৰগুপ্তই আৰ্যৱৰ্তৰ ৯ জন ৰজা আৰু দাক্ষিণাত্যৰ ১২ জন ৰজাক যুদ্ধত পৰাস্ত কৰাৰ উপৰি মধ্য ভাৰতৰ অৰণ্য অঞ্চলত অৱস্থিত ৰাজ্যসমূহৰ বিৰুদ্ধে অভিযান চলাই কৃতকাৰ্যতা লাভ কৰে । কিন্তু জয় কৰা ৰাজ্যবা◌েৰ তেওঁ নিজ ৰাজ্যত চামিল নকৰি নিৰ্দিষ্ট কৰৰ বিনিময়ত নিজ নিজ ৰাজ্যৰ ৰজাসকলকে শাসন কৰিবলৈ দিছিল। সমুদ্ৰগুপ্তৰ বীৰত্ব দেখি কামৰূপকে ধৰি সীমান্তৱৰ্তী কেবাখনা◌ে ৰাজ্যৰ ৰজাই ভয়তে বিনাযুদ্ধে তেওঁৰ বশ্যতা স্বীকাৰ কৰিছিল । সমুদ্ৰগুপ্তই ওচৰ – চুবুৰীয়া দেশ বৰ্তমান শ্ৰীলংকাৰ লগতে সদ্ভাৱ স্থাপন কৰিছিল ।

শিল্প , সাহিত্য , সংস্কৃতিৰ প্ৰতি সমুদ্ৰগুপ্তৰ যথেষ্ট অনুৰাগ আছিল । তেওঁৰ ৰাজসভাত হৰিসেন নামৰ এজন প্ৰখ্যাত কবি আছিল । তেওঁ নিজে বীণ বজাইছিল ।

সমুদ্ৰগুপ্তই হিন্দু ধৰ্ম গ্ৰহণ কৰিছিল আৰু বিষ্ণু উপাসক আছিল । তেওঁ ব্ৰাহ্মণসকলক যথেষ্ট সন্মান কৰিছিল আৰু সংস্কৃত ভাষাত পুথি ৰচনা কৰাৰ কাৰণে উৎসাহিত কৰিছিল । আন ধৰ্মৰ প্ৰতি তেওঁ সহানুভূতিশীল আছিল । সিংহলৰ ৰজা মেঘবৰ্ণক বুদ্ধগয়াত এটি বুদ্ধ বিহাৰ নিৰ্মাণৰ বাবে সমুদ্ৰগুপ্তই অনুমতি দিছিল ।

**( গ ) কালিদাস ।**

**উত্তৰঃ** কালিদাস সংস্কৃত ভাষাৰ শ্ৰেষ্ঠ কবি আৰু নাট্যকাৰ । তেওঁৰ সময়টো সম্পৰ্কে সঠিক ক’ব নাোৰাৰিলেও বহুতাে পণ্ডিতে কালিদাস ৪ ৰ্থ – ৫ ম শতিকাৰ ব্যক্তি বুলি অনুমান কৰে । বেলেগ বেলেগ দিশত খ্যাতি থকা যি ৯ জন , লাোকে ( নৱৰত্ন ) দ্বিতীয় চন্দ্ৰগুপ্ত বা বিক্ৰমাদিত্যৰ ৰাজসভা শুৱনি কৰিছিল তাৰ ভিতৰত কালিদাস আছিল অন্যতম ।

কালিদাসে তিনিখন নাটক লিখিছিল । সেই কেইখন হৈছে— “ অভিজ্ঞান শকুন্তলম্ ’, ’ মালৱিকাগ্নি – মিত্ৰম ’ আৰু ’ বিক্ৰমাোৰ্বশীয়ম ’ । এই তিনিখনৰ ভিতৰত ’ অভিজ্ঞান শকুন্তলম ’ ক শ্ৰেষ্ঠ নাটক বুলি বিবেচনা কৰা হয় আৰু ইংৰাজী ভাষালৈ প্ৰথম অনুবাদ কৰা সংস্কৃত গ্ৰন্থসমূহৰ ভিতৰত এইখনাে এখন ।

নাটকৰ উপৰিও কালিদাসে মুঠ ৪ খন কাব্য ৰচনা কৰিছিল । সেই কেইখন হৈছে — ’ ৰঘুবংশ ’, ’ কুমাৰ সম্ভৱ ’, ’ মেঘদূত ’ আৰু ঋতুসংহাৰ । ইয়াৰে ভিতৰত ’ মেঘদূত ’ আৰু ঋতুসংহাৰক পণ্ডিত সকলে পূৰ্ণ পৰ্যায়ৰ কাব্যত নধৰি খণ্ড – কাব্য হিচাপেহে বিবেচনা কৰে ।

**( ঘ ) গুপ্ত যুগৰ স্থাপত্য আৰু ভাস্কৰ্য্য ।**

**উত্তৰঃ** গুপ্ত যুগত স্থাপত্য আৰু ভাস্কৰ্যৰ যথেষ্ট উন্নতি হৈছিল । সেই যুগৰ ভাস্কৰ্য শিল্পীসকলে বিষ্ণু , শিৱ , দুৰ্গা , গংগা , যমুনা , কাৰ্তিক আদি দেৱ – দেৱীৰ মূৰ্তি নিৰ্মাণ কৰি উলিয়াইছিল । স্থাপত্যবিদসকলে পাোৰা ইটাৰে বহুতাে মন্দিৰ নিৰ্মাণ কৰিছিল । মহাৰাষ্ট্ৰৰ অজন্তা আৰু ইলাোৰাত থকা গুহাসমূহত ভাস্কৰ্য আৰু স্থাপত্য কলাৰ নিদৰ্শন পাোৱা যায় । অজন্তা আৰু ইলাোৰাৰ গুহাচিত্ৰসমূহে প্ৰমাণ কৰে যে চিত্ৰাংকন কলাৰ ক্ষেত্ৰত গুপ্ত যুগ বহুখিনি আগবঢ়া আছিল।

শাোণিতপুৰ জিলাৰ তেজপুৰৰ – পৰ্বতীয়া নামৰ ঠাইত গুপ্তযুগৰ স্থাপত্য ভাস্কৰ্য নিদৰ্শন পাোৱা যায়।দ – পৰ্বতীয়াৰ এটা মন্দিৰৰ শিলৰ দ্বাৰত গংগা – যমুনাৰ ভাস্কৰ্য দেখা পাোৱা যায় ।

**( ঙ ) দ্বিতীয় চন্দ্ৰগুপ্ত বা বিক্ৰমাদিত্য ।**

**উত্তৰঃ** দ্বিতীয় চন্দ্ৰগুপ্ত ৩৮০ খ্ৰীঃত গুপ্ত বংশৰ ৰজা হয় । তেওঁক বিক্ৰমাদিত্য নামেৰেও জনা যায় ।

দ্বিতীয় চন্দ্ৰগুপ্ত এজন সুদক্ষ সৈন্যাধ্যক্ষ আৰু সুশাসক আছিল । তেওঁ শকসকলৰ বিৰুদ্ধে সামৰিক অভিযান চলায় শকসকলক সম্পূৰ্ণ পৰাস্ত কৰে আৰু শকসকলৰ

অধীনত থকা বেকট্ৰিয়াও আক্ৰমণ কৰি অধিকাৰ কৰে। দ্বিতীয় চন্দ্ৰগুপ্তৰ ৰাজত্বকালত গুপ্ত সাম্ৰাজ্যই উন্নতিৰ উচ্চ শিখৰ পাইছিল।

দ্বিতীয় চন্দ্ৰগুপ্তৰ ৰাজত্বকালতে চীনা পৰিব্ৰাজক ফা – হিয়েনে ভাৰতবৰ্ষ ভ্ৰমণ কৰে আৰু ভাৰতবৰ্ষৰ বিষয়ে এটি টোকা লিখি থৈ যায়।

বহুতাে কবি – সাহিত্যিক , জ্যোতিষ আদি বিভিন্ন ক্ষেত্ৰৰ পণ্ডিত লাােকে দ্বিতীয় চন্দ্ৰগুপ্তৰ ৰাজসভা শুৱনি কৰিছিল। তেওঁ সাােণ , ৰূপ আৰু তামৰ মুদ্ৰা প্ৰচলন কৰিছিল।

**( চ ) নৱৰত্ন ।**

**উত্তৰঃ** গুপ্ত যুগক ভাৰতীয় সভ্যতা , সংস্কৃতিৰ এক উৎকৰ্ষ সাধনৰ যুগ বুলিব পাৰি। এইটো যুগত শিক্ষা , সাহিত্য , সংস্কৃতি , শিল্পকলা , জ্যোতিষ , জ্যোতিৰ্বিদ্যা , অংকশাস্ত্ৰ , চিকিৎসা শাস্ত্ৰ ইত্যাদি বিভিন্ন ক্ষেত্ৰত পিৰদৰ্শী লাােকে বৰ সমাদৰ পাইছিল। বেলেগ বেলেগ দিশত খ্যাতি অৰ্জন কৰা তেনেকুৱা ৯ জন লাােকে দ্বিতীয় চন্দ্ৰগুপ্ত বা বিক্ৰমাদিত্যৰ ৰাজসভা শুৱনি কৰিছিল। এই ৯ গৰাকী লাােকক একেলগে ‘ নৱৰত্ন ’ বুলি কোৱা হৈছিল। তেওঁলাােক আছিল কালিদাস , বেতালভট্ট , বৰাহমিহিৰ , বৰৰুচি , অমৰ সিনহা , ধন্বন্তৰী , ক্ষপণক , শংকু আৰু ঘটকৰ্পৰ। এই নৱৰত্নৰ ভিতৰত কালিদাসৰ খ্যাতি আছিল সৰ্বাধিক।

**প্ৰশ্ন ৩। খালী ঠাই পূৰ কৰা —**

( ক ) প্ৰথম চন্দ্ৰগুপ্তই ____ মাােহৰ মৰাইছিল।

**উত্তৰঃ** প্ৰথম চন্দ্ৰগুপ্তই সাােণৰ মাােহৰ মৰাইছিল।

( খ ) হৰিসেন আছিল সমুদ্ৰগুপ্তৰ ৰাজসভাৰ এজন ___।

**উত্তৰঃ** হৰিসেন আছিল সমুদ্ৰগুপ্তৰ ৰজাসভাৰ এজন কবি।

( গ ) সমুদ্ৰগুপ্তই প্ৰচলন কৰা কোনাে কোনাে মুদ্ৰাত তেওঁক ___হিচাপে অংকিত কৰা হৈছিল।

**উত্তৰঃ** সমুদ্ৰগুপ্তই প্ৰচলন কৰা কোনাে কোনাে মুদ্ৰাত তেওঁক বীণাবাদক হিচাপে অংকিত কৰা হৈছিল।

( ঘ ) দ্বিতীয় চন্দ্ৰগুপ্তক ____ নামেৰেও জনা যায় ।

**উত্তৰঃ** দ্বিতীয় চন্দ্ৰগুপ্তক বিক্ৰমাদিত্য নামেৰেও জনা যায় ।

( ঙ ) স্কন্দগুপ্তৰ ৰাজত্বকালত _____ ভাৰতবৰ্ষ আক্ৰমণ কৰে ।

**উত্তৰঃ** স্কন্দগুপ্তৰ ৰাজত্বকালত হুনবিলাকে ভাৰতবৰ্ষ আক্ৰমণ কৰে।

( চ ) ' অভিজ্ঞান শকুন্তলম্' ____ ৰচনা কৰিছিল ।

**উত্তৰঃ** ' অভিজ্ঞান শকুন্তলম্ ' কালিদাসে ৰচনা কৰিছিল ।

**প্ৰশ্ন ৪। শুদ্ধ – অশুদ্ধ বিচাৰ কৰা –**

( ক ) সমুদ্ৰগুপ্ত গুপ্ত বংশৰ প্ৰথম ৰজা ।

**উত্তৰঃ** অশুদ্ধ ।

( খ ) গুপ্ত যুগক ভাৰতৰ ইতিহাসৰ সাোণালী যুগ বুলি কোৱা হয় ।

**উত্তৰঃ** শুদ্ধ ।

( গ ) সমুদ্ৰগুপ্তই বৌদ্ধ ধৰ্ম গ্ৰহণ কৰিছিল ।

**উত্তৰঃ** অশুদ্ধ ।

( ঘ ) গুপ্ত যুগত সংস্কৃত ভাষাই ৰাজকীয় পৃষ্ঠপাোষকতা লাভ কৰিছিল ।

**উত্তৰঃ** শুদ্ধ ।

( ঙ ) বৰাহমিহিৰে ' ৰঘুবংশ ' ৰচনা কৰিছিল ।

**উত্তৰঃ** অশুদ্ধ ।

**প্ৰশ্ন ৫। তলত দিয়া প্ৰশ্নকেইটাৰ চমু উত্তৰ লিখা—**

**( ক ) সমুদ্ৰগুপ্তৰ সামৰিক অভিযান ।**

**উত্তৰঃ** সমুদ্ৰগুপ্তই গুপ্ত সাম্ৰাজ্যৰ ৰাজ সিংহাসনত বহিয়েই ৰাজ্য বহলা◌েৰাৰ উদ্দেশ্যে সামৰিক অভিযান চলা◌েৰাৰ পৰিকল্পনা কৰিছিল । প্ৰথমে তেওঁ আযাৱৰ্তৰ ৯ জন ৰজাক সমূলে ঘটুৱাই . তেওঁলা◌েকৰ ৰাজ্য নিজ ৰাজ্যৰ লগত চামিল কৰিছিল । এই অভিযানৰ পাছত তেওঁ মধ্য ভাৰতৰ অৰণ্য অঞ্চলত অৱস্থিত ৰাজ্যসমূহৰ বিৰুদ্ধে অভিযান চলাই কৃতকাৰ্য হৈছিল । ইয়াৰ পাছত সমুদ্ৰগুপ্তই দাক্ষিণাত্যৰ ৰাজ্যসমূহৰ বিৰুদ্ধে অভিযান চলাইছিল । সমুদ্ৰগুপ্তই দাক্ষিণাত্যৰ মুঠ ১২ জন ৰজাক পৰাস্ত কৰিছিল বুলি জনা যায় । সমুদ্ৰগুপ্তৰ সামৰিক বিজয়ে সীমান্তৱৰ্তী ৰজাসকলক শংকিত কৰিছিল আৰু কামৰূপৰ ৰজাকে ধৰি কেইজনমান ৰজাই বিনাযুদ্ধে সমুদ্ৰ গুপ্তৰ বশ্যতা , স্বীকাৰ কৰিছিল । ৰাজ্য বিজয়ৰ চিনস্বৰূপে সমুদ্ৰগুপ্তই অশ্বমেধ যজ্ঞ সম্পন্ন কৰিছিল আৰু এই অনুষ্ঠানৰ পাছতেই তেওঁ সা◌েণৰ মুদ্ৰা মৰাইছিল ।

**( খ ) দ্বিতীয় চন্দ্ৰগুপ্তৰ ৰাজত্বকাল ।**

**উত্তৰঃ** দ্বিতীয় চন্দ্ৰগুপ্তই ৩৮০ খ্ৰীঃত গুপ্ত বংশৰ ৰজা হয় । তেওঁক বিক্ৰমাদিত্য নামেৰেও জনা যায় । দ্বিতীয় চন্দ্ৰগুপ্তৰ ৰাজত্বকালতে গুপ্ত সাম্ৰাজ্যই উন্নতিৰ উচ্চ শিখৰ পাইছিল ।

দ্বিতীয় চন্দ্ৰগুপ্ত এজন সুদক্ষ সৈন্যাধ্যক্ষ আৰু সুপ্ৰশাসক আছিল । তেওঁ শকসকলৰ বিৰুদ্ধে সামৰিক অভিযান চলাই শকসকলক সম্পূৰ্ণ পৰাস্ত কৰে আৰু শকসকলৰ অধীনত থকা বেকট্ৰিয়াও আক্ৰমণ কৰি অধিকাৰ কৰে ।

দ্বিতীয় চন্দ্ৰগুপ্তৰ ৰাজত্বকালতে চীনা পৰিব্ৰাজক ফা হিয়েনে ভাৰতবৰ্ষ ভ্ৰমণ কৰে আৰু ভাৰতবৰ্ষৰ বিষয়ে এটি টোকা লিখি থৈ যায় ।

দ্বিতীয় চন্দ্ৰগুপ্তৰ ৰাজত্বকালত দেশখন – শিক্ষা , সাহিত্য , সংস্কৃতি , শিল্পকলা আদি কৰি বিভিন্ন দিশত বহুদূৰ আগবাঢ়ি গৈছিল । বেলেগ বেলেগ  দিশত খ্যাতি থকা ৯ জন লা◌েকে , যিসকলক একেলগে ‘ নৱৰত্ন ’ বুলি কোৱা হৈছিল , দ্বিতীয় চন্দ্ৰগুপ্তৰ ৰাজত্বকালতে ৰাজসভাত স্থান পাইছিল।

ওপৰা◌েক্ত কথাবা◌েৰ বিবেচনা কৰি দ্বিতীয় চন্দ্ৰগুপ্তৰ ৰাজত্বকাল গুপ্ত বংশ তথা ভাৰতবৰ্ষৰ বুৰঞ্জীৰ এক সা◌েণালী ইতিহাস বুলি ক’ব পৰা যায়।

**( গ ) গুপ্ত যুগক কিয় ভাৰতৰ ইতিহাসৰ সা◌েণালী যুগ বুলি আখ্যা দিয়া হয় ?**

**উত্তৰঃ** গুপ্ত বংশৰ ৰজা প্ৰথম চন্দ্ৰগুপ্তৰ ৰাজত্বকালৰ পৰা স্কন্দগুপ্তৰ ৰাজত্বকাললৈকে এই কেইজন ৰজাৰ দিনত বিভিন্ন দিশত বহুখিনি উন্নতি পৰিলক্ষিত হৈছিল । বিশেষকৈ সমুদ্ৰগুপ্ত আৰু দ্বিতীয় চন্দ্ৰগুপ্তৰ ৰাজত্বকালত ভাৰতীয় অৰ্থনীতি , সাহিত্য সংস্কৃতি – ভাষা , শিল্পকলা , ধৰ্মীয় অৱস্থাৰ উন্নতি পৰিলক্ষিত হয় ।

গুপ্ত ৰজাসকলে সুশাসন ব্যৱস্থা প্ৰৱৰ্তন কৰিব পাৰিছিল । গুপ্ত সাম্ৰাজ্যখনক প্ৰদেশ , জিলা আদি ভাগত ভাগ কৰি লৈ প্ৰত্যেক বিভাগৰে দায়িত্ব ভিন্ ভিন্ মন্ত্ৰী বিষয়াৰ ওপৰত ন্যস্ত কৰা হৈছিল । সকলােতকৈ ওপৰত আছিল ৰজা । প্ৰত্যেকেই নিজৰ নিজৰ দায়িত্ব ভালদৰে পালন কৰাৰ ফলত দেশৰ শান্তি শৃংখলা অটুট আছিল । দেশত শান্তি বিৰাজ কৰা কাৰণে বিভিন্ন ক্ষেত্ৰত উন্নতি হৈছিল । কৃষি , শিল্প , বাণিজ্যৰ প্ৰসাৰ ঘটিছিল ।

গুপ্ত যুগত নালন্দা , সাৰনাথ , উজ্জয়িনী , অজন্তা , তক্ষশীলা আদি ঠাই শিক্ষা – সংস্কৃতিৰ কেন্দ্ৰস্থল হৈ পৰিছিল । হিন্দু ধৰ্ম আৰু সংস্কৃত ভাষাই ৰাজকীয় পৃষ্ঠপােষকতা লাভ কৰিছিল । মহাকবি কালিদাসে তিনিখন নাটক আৰু চাৰিখন কাব্যগ্ৰন্থ লিখি সংস্কৃত তথা ভাৰতীয় সাহিত্যক টনকিয়াল কৰিছিল । বিশাখাদত্তৰ ' মুদ্ৰাক্ষস ' , বিষ্ণু শৰ্মাৰ 'পঞ্চতন্ত্ৰ ' , ভাসৰ নাটকসমূহ এই গুপ্ত যুগতে ৰচনা কৰা । ইয়াৰ উপৰিও আৰ্যভট্ট , ব্ৰহ্মগুপ্ত , বৰাহমিহিৰ , ধন্বন্তৰী , চৰককে আদি কৰি বেলেগ বেলেগ দিশত খ্যাতি অৰ্জন কৰা বিভিন্ন লােকে এই গুপ্ত যুগতে জ্যোতিষ , জ্যোতিৰ্বিদ্যা , অৰ্থনীতি , গণিত , চিকিৎসা , শিল্পকলা আদি ক্ষেত্ৰলৈ প্ৰভূত বৰঙণি যােগাইছিল। এইবােৰ কাৰণতে গুপ্তযুগক ভাৰতীয় ইতিহাসৰ সোণালী যুগ বুলি কোৱা হয় ।

**( ঘ ) ফা – হিয়েনৰ ভাৰত সম্পৰ্কীয় টোকা ।**

**উত্তৰঃ** দ্বিতীয় চন্দ্ৰগুপ্তৰ ৰাজত্বকালত চীনা পৰিব্ৰাজক ফা – হিয়ানে ভাৰত ভ্ৰমণলৈ আহি ১২ বছৰ থাকি ভাৰত সম্পৰ্কে এটি টোকা লিখি থৈ যায় । ফা – হিয়ানে টোকাত উল্লেখ কৰা মতে ভাৰতৰ মানুহে শান্তিৰে বাস কৰিছিল । দেশত চুৰি – ডকাইতি তেনেকৈ হােৱা নাছিল । অপৰাধীৰ সংখ্যা অতি কম আছিল আৰু যদি কেতিয়াবা অপৰাধী ধৰা পৰে তেন্তে তেওঁক শাস্তি দিয়া হৈছিল । অৱশ্যে শাস্তিৰ বিধান বৰ কঠোৰ নাছিল৷

ফা – হিয়ানৰ টোকা মতে গুপ্ত ৰজাসকলে বৰ দক্ষতাৰে শাসন কৰিছিল।আৰু সেয়ে অৰ্থনৈতিক , সামাজিক , সাংস্কৃতিক আদি দিশত দেশে উন্নতি লাভ কৰিছিল । মানুহবিলাক নিৰামিষভােজী আছিল । তেওঁলােকে অহিংসানীতিৰ ওপৰত বিশ্বাস কৰিছিল আৰু সেয়ে হয়তাে জীৱ – জন্তু বধ কৰা নাছিল । দেশত হিন্দু ধৰ্ম প্ৰাধান্য হলেও বৌদ্ধ ধৰ্মাৱলম্বী লােককো সমানে সন্মান জনােৱা হৈছিল আৰু বৌদ্ধ ধৰ্ম প্ৰচলনত বাধা আৰােপ কৰা নাছিল । ফা – হিয়ানে পাটলিপুত্ৰ নগৰখন অতি সুন্দৰকৈ সজাই পৰাই তােলা বুলি বৰ্ণনা কৰিছে ।